নিয়মীয়া বার্তা বুধবাৰ, ১৫ জুলাই ২০২৬



## নাৰীদেহ ব্যৱসায়-ড্ৰাগ্‌ছৰ প্ৰচলন-পদপথ বেদখল-শব্দ-প্ৰদূষণসহ অন্যান্য অনৈতিক কাৰ্যকলাপ বন্ধৰ দাবী

# গণেশগুৰিত নাগৰিক মঞ্চ-মহিলা সমিতিৰ প্ৰতিবাদ




**মহানগৰ বাৰ্তা, ১৪ জুলাই ঃ** নাৰীদেহ ব্যৱসায়ীৰ পৰা আৰম্ভ কৰি ড্ৰাগ্‌ছ সেৱন আৰু অন্যান্য অসামাজিক কাৰ্যকলাপৰ ঘাটিত পৰিণত হৈছে ৰাজ্যৰ ৰাজধানী দিছপুৰৰ গণেশগুৰি অঞ্চল। ৰাজ্যৰ ৰাজধানী দিছপুৰৰ এক গুৰুত্বপূৰ্ণ পৰিচয় বহন কৰা গণেশগুৰি অঞ্চলত শেহতীয়াকৈ চলি থকা এনে অনৈতিক কাৰ্যকলাপক লৈ অতিষ্ঠ হৈ পৰিছে অঞ্চলটোৰ বাসিন্দা। গণেশগুৰিত চলি থকা এনে অপৰাধজনিত কাৰ্যকলাপ ৰোধ কৰিবলৈ বিগত সময়ছোৱাত অঞ্চলটোত নাগৰিক সমাজ তথা সচেতন মহলে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰাৰ পিছতো প্ৰশাসনে এইক্ষেত্ৰত ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। সেয়েহে আজি বৃহত্তৰ গণেশগুৰি নাগৰিক মঞ্চৰ উদ্যোগত আৰু অঞ্চলটোৰ কেইবাটাও সামাজিক আৰু স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত গণেগুৰিৰ দোকান-পোহাৰ সম্পূৰ্ণৰূপে বন্ধ ৰাখি দুঘণ্টা ধৰি বিক্ষোভ প্ৰদৰ্শন কৰে। গণেশগুৰি চাৰিআলিত গ্ৰহণ কৰা এই প্ৰতিবাদী কাৰ্যসূচীত অঞ্চলটোৰ জ্যেষ্ঠ নাগৰিক, অৱসৰপ্ৰাপ্ত বিষয়া-কৰ্মচাৰী, মহিলা, নাগৰিক সমাজ আৰু ব্যৱসায়ীসকলকে ধৰি শতাধিক সচেতন লোকে অংশগ্ৰহণ কৰে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰা লোকসকলে অভিযোগ কৰা অনুসৰি গুৱাহাটী মহানগৰীৰ হৃদপিণ্ডস্বৰূপ গণেশগুৰিত যোৱা কেইবাবছৰ ধৰি এই অঞ্চলটোত সামাজিক কাৰ্যকলাপ উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। ফলত অঞ্চলটোৰ সামাজিক পৰিৱেশ বিনষ্ট হোৱাৰ লগতে আইন-শৃংখলাজনিত পৰিস্থিতি উদ্ভৱ হৈছে। তদুপৰি এই ধৰণৰ কাৰ্যকলাপ চলি থকাৰ বাবে অঞ্চলটোৰ মহিলা, শিশু আৰু ব্যৱসায়ীসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ নিৰাপত্তাৰ দিশটোত যথেষ্ট অৱনতি ঘটিছে। এইক্ষেত্ৰত বৃহত্তৰ গণেশগুৰি নাগৰিক মঞ্চৰ উদ্যোগত জিলা-আৰক্ষী প্ৰশাসনৰ সৈতে কেইবাবাৰো যোগাযোগ কৰা হয় যদিও গণেশগুৰিৰ এনে কদৰ্য পৰিৱেশৰ উন্নতি হোৱা নাই। সেয়েহে আজি নাগৰিক মঞ্চৰ উদ্যোগত অঞ্চলটোত এখন ৰাজহুৱা সভা অনুষ্ঠিত হোৱাৰ লগতে দোকান-পোহাৰ বন্ধ কৰি দুঘণ্টীয়া প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত মঞ্চত সভাপতি ড° নৱজ্যোতি বৰা, কাৰ্যকৰী সভাপতি দিলীপ বৈশ্য, সম্পাদক সিদ্ধাৰ্থ শংকৰ ডেকা, যুটীয়া সম্পাদক বিপুল দাস, ৰাজেশ বৰ্মন, সাংগঠনিক সম্পাদক শশীমোহন দাস আৰু কোষাধ্যক্ষ মানৱ মিহিৰ পাটৰৰ লগতে বহু ব্যক্তিয়ে অংশগ্ৰহণ কৰে। আনহাতে আজি সভাত অঞ্চলটোৰ আইন-শৃংখলা ব্যৱস্থা উন্নত কৰা, আৰক্ষীৰ নিয়মীয়া টহল, নাৰী ব্যৱসায়ী উৎখাত, ড্ৰাগ্‌ছৰ প্ৰচলন বন্ধ কৰা, অবৈধ পাৰ্কিঙৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা, শব্দ প্ৰদূষণ নিয়ন্ত্ৰণ কৰা, অবৈধ দখলকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা, অঞ্চলটো গুৰুত্বপূৰ্ণ চিচি টিভি কেমেৰাত সংলগ্ন কৰা আৰু অবৈধ দখলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উল্লেখ্য যে এই কাৰ্যসূচীত গণেশগুৰিৰ নাগৰিক মঞ্চ, গণেশগুৰি ৰঙালী বিহু সন্মিলন, গণেশগুৰি ক্ৰীড়া আৰু সাংস্কৃতিক যুৱ মঞ্চ, বৃহত্তৰ গণেশগুৰি মহিলা সমিতি, বড়ো মহিলা সমিতি, বৃহত্তৰ গণেশগুৰি চেম্বাৰ্ছ অল কমাৰ্চ, দিছপুৰ বাৰোৱাৰী পূজা সমিতি, দিছপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা আৰু দিছপুৰ ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলৰ লগতে বৃহত্তৰ অঞ্চলটোৰ নাগৰিক সমাজে অংশগ্ৰহণ কৰে।

## চন্দ্ৰপুৰত 'নিয়মীয়া বাৰ্তা' কাকতৰ টোপোলা চুৰি

**মহানগৰ বাৰ্তা, নাৰেংগী, ১৪ জুলাই ঃ** মহানগৰীৰ পাৰ্শ্বৱৰ্তী চন্দ্ৰপুৰত জনপ্ৰিয় দৈনিক বাতৰিকাকত 'নিয়মীয়া বাৰ্তা'ৰ টোপোলা চুৰি হৈছে। আজি পুৱ সংঘটিত হয় এই চুৰিকাণ্ড। উল্লেখ যে দৈনন্দিনৰ দৰে আজিও পুৱ ৫ বজাৰ পূৰ্বে কাৰ্যালয়ৰ বাহনে আহি চন্দ্ৰপুৰ হাইস্কু তিনিআলিস্থিত বিতাৰক দোকানৰ সন্মুখত কাকতখন টোপোলা থৈছিল কৰ্মচাৰীয়ে। কি মুহূৰ্তৰ ভিতৰতে কাকত টোপোলাটো তাৰ পৰা নোহো